**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2026 **Time:** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ হৰদৈইত ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ গংগা এক্সপ্ৰেছৱে মুকলি কৰে।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত আজি বিয়লি ৫ বজালৈ ৮৯ দশমিক ৯ - ৯ শতাংশ ভোটদান হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰে আজি দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগানৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি হোৱা নাই বুলি স্পষ্ট কৰি দিছে।

৪। এছীয় উপকূলীয় ক্ৰীড়া ২০২৬ প্ৰতিযোগিতাত ভাৰতে আজি বীচ্চ ৰেষ্টলিং শিতানত চাৰিটাকৈ পদক অৰ্জন কৰে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ হৰদৈইত ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ গংগা এক্সপ্ৰেছৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, যে যিদৰে হাজাৰ হাজাৰ বছৰ ধৰি গংগা নদী উত্তৰ প্ৰদেশৰ আয়ুষৰেখা হৈ বৈ আছে, তেনেদৰে এই এক্সপ্ৰেছৱে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত নতুন আয়ুষ ৰেখা হিচাপে পৰিগণিত হ'ব। উন্নত মানৰ আন্তঃগাঁথনিয়ে দেশৰ দ্ৰুত প্ৰগতিকে সূচায় বুলিও তেওঁ মন্তব্য কৰে।

দ্ৰুতবেগী যাতায়াতৰ বাবে নিৰ্মাণ কৰি উলিওৱা এই কৰিডৰে সমগ্ৰ উত্তৰ প্ৰদেশৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে ঔদ্যোগিক বিনিয়োগ, কৃষি বজাৰ ব্যৱস্থা, আঞ্চলিক ভাৰসাম্যতা ৰক্ষা কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰিব। উত্তৰ প্ৰদেশ এক্সপ্ৰেছৱে ঔদ্যোগিক প্ৰাধিকৰণে বিকশাই তোলা এই গংগা এক্সপ্ৰেছৱেই ৰাজ্যখনৰ পশ্চিম, মধ্য আৰু পূব অংশক একক দ্ৰুতবেগী কৰিডৰে সংযোগ কৰিব। এই এক্সপ্ৰেছৱে মীৰাট, হাপুৰ, বুলন্দশ্বহৰ,আমৰোহা, সম্ভল, বদায়ুনকে ধৰি ১২ খন জিলাক সামৰি ল'ব।

উদ্বোধনী অনুষ্ঠানত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয় যে প্ৰধানমন্ত্ৰীগৰাকীৰ দূৰদৰ্শী পথ প্ৰদৰ্শনৰ ফলস্বৰূপে ৰাজ্যখনত আধুনিক আন্তঃগাথঁনিয়ে বিকাশৰ হাৰ দ্ৰুততম কৰি তুলিছে। এই প্ৰকল্পটোক ৰাজ্যখনৰ মেৰুদণ্ডস্বৰূপ বুলি উল্লেখ কৰি তেওঁ কয় যে এই এক্সপ্ৰেছৱে'ই ৰাজ্যখনৰ উদ্যোগ আৰু পৰ্যটন ক্ষেত্ৰৰ বিকাশত প্ৰভূত পৰিমাণে অৱদান আগবঢ়োৱাৰ লগতে নিয়োগৰ সুবিধা বহু পৰিমাণে বৃদ্ধি কৰিব।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনা আজি বাৰাণসীৰ শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰে। প্ৰধানমন্ত্ৰীয়ে মন্দিৰৰ গৰ্ভ গৃহত পূজা অৰ্চনা আগবঢ়ায়। তেওঁ মন্দিৰ দৰ্শনৰ বাবে অহা কিছু সংখ্যক দৰ্শনাৰ্থীৰ সৈতে মত বিনিময়ো কৰে।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আজি সুকলমে অনুষ্ঠিত হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি বিয়লি ৫ বজালৈ ৮৯ দশমিক ৯ - ৯ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ৭ খন জিলাৰ ১৪২টা সমষ্টিক সামৰি লোৱা হৈছে। দ্বিতীয় পৰ্যায়ত এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত ৩ কোটি ২২ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ মুক্ত আৰু নিকাভাৱে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে ভোটগ্ৰহণৰ সময়ছোৱাত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ প্ৰায় দুহেজাৰ ৩২১টা কোম্পানী আৰু দ্ৰুত সঁহাৰি বাহিনীৰ ৬০০ ৰো অধিক দল নিয়োগ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। অহা ৪ মে'ত অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু পুডুচেৰীৰ ভোটগণনা কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগানৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি হোৱা নাই বুলি স্পষ্ট কৰি দিছে। নতুন দিল্লীত আজি এখন আন্তঃমন্ত্ৰালয়ৰ সংবাদমেল সম্বোধন কৰি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতিৰ মাজতো দেশৰ ৰন্ধন গেছৰ বিতৰকসকলৰ ওচৰত গেছৰ কোনো নাটনি হোৱা নাই। বাণিজ্যিক ৰন্ধন গেছ যোগানৰ ক্ষেত্ৰত দেশে বৰ্তমান ৭০ শতাংশলৈকে যোগান ধৰিবলৈ সমৰ্থ হৈছে আৰু এপ্ৰিল মাহত ১ লাখ ৮৪ হাজাৰ টনৰো অধিক বাণিজ্যিক ৰন্ধন গেছ বিক্ৰী হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুকেশ মংগলে কয়, যে ভাৰতীয় বন্দৰসমূহত কাম-কাজ সুচাৰুৰূপে চলি আছে। উপ-সাগৰীয় অঞ্চলত থকা ভাৰতীয় নাৱিকসকল নিৰাপদে আছে আৰু বিগত ২৪ ঘণ্টাত ভাৰতীয় ধবজাবহনকাৰী জাহাজৰ সৈতে কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি পোৱা হোৱা নাই বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইডো ক্ৰছেটোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি এটা বিবৃতিযোগে জানিবলৈ দিয়া অনুসৰি নেতা দুগৰাকীয়ে দুয়োখন দেশৰ মাজত থকা প্ৰতিৰক্ষা সহযোগিতাৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিব। উল্লেখযোগ্য যে এয়া হৈছে ইটালী প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ। শ্ৰীসিঙে ২০২৩ বৰ্ষৰ অক্টোবৰ মাহত ৰোম ভ্ৰমণ কৰাৰ পাছতে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক সুদৃঢ় হৈ পৰিছিল।

০০০০০০০

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি গুৱাহাটীত অহা ৪ মে'ত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ প্ৰস্তুতি সম্পৰ্কত এখন সংবাদমেল সম্বোধন কৰে। সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰি শ্ৰীগোৱেলে কয় যে ভোটগণনাৰ বাবে ৰাজ্যত মুঠ ৪০ টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰ থকাৰ লগতে নগাওঁ জিলাত ৩ টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

নিৰ্বাচন আয়োগে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰিছে বুলি উল্লেখ কৰি শ্ৰীগোৱেলে কয় যে এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনাকাৰী বিষয়া আৰু ২ হাজাৰ ৩৪৮ গৰাকী মাইক্ৰ'অবজাৰভাৰ

থাকিব। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেইবাতৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে।

শ্ৰীগোৱেলে ৰাজ্যৰ বিভিন্ন জিলাত ভোটগণনাত নিয়োজিত বিষয়াসকলৰ ইতিমধ্যে প্ৰশিক্ষণ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে বুলিও জানিবলৈ দিয়ে।

০০০০০০০

চণ্ডীগড়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত কাইলৈৰ পৰা জনস্বাস্থ্য ব্যৱস্থাৰ সুষম আৰু প্ৰতিলিপিযোগ্য পদ্ধতি আৰু উদ্ভাৱনৰ দশম ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী শ্ৰীযুত জে পি নাড্ডাই দুদিনীয়া এই সন্মিলন উদ্বোধন কৰিব । মন্ত্ৰালয়ে কয় যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে বিভিন্ন জনস্বাস্থ্য প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ গ্ৰহণ কৰা উদ্ভাৱনীমূলক আৰু প্ৰভাৱশালী পদ্ধতিসমূহ প্ৰদৰ্শন, স্বীকৃতি আৰু নথিভুক্ত কৰাই হৈছে এই সন্মিলনৰ লক্ষ্য। এই বাৰ্ষিক শীৰ্ষ সন্মিলনখনে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে জনস্বাস্থ্য সেৱা প্ৰদান আৰু প্ৰযুক্তিগত ক্ষেত্ৰত উদ্ভাৱনীমূলক, প্ৰমাণভিত্তিক, আৰু ফলাফলমুখী হস্তক্ষেপ উপস্থাপন কৰাৰ সুযোগ প্ৰদান কৰে যাৰ ফলত স্বাস্থ্যৰ মান উন্নত হৈছে। এই অনুষ্ঠানত প্ৰাথমিক স্বাস্থ্যসেৱা শক্তিশালী কৰা, ডিজিটেল স্বাস্থ্য উদ্ভাৱন, আৰু সেৱা প্ৰদান ব্যৱস্থাৰ উন্নতিৰ দৰে মূল বিষয়সমূহত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

০০০০০০০

কেনিয়াৰ নাইৰোবিত ভাৰত-কেনিয়াৰ যুটীয়া বাণিজ্য সমিতিৰ বৈঠক অনুষ্ঠিত হয়। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা আৰু শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰতৰ বাণিজ্য সচিব ৰাজেশ আগৰৱালা আৰু কেনিয়াৰ বাণিজ্য বিভাগৰ প্ৰধান সচিব ৰেজিনা আকোটাহ ওম্বামৰ সহযোগত বৈঠক অনুষ্ঠিত হয়।

ভাৰত কেনিয়াৰ অন্যতম মূল বাণিজ্যিক অংশীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু দুয়োপক্ষই দ্বিপাক্ষিক বাণিজ্যৰ অবিৰত বৃদ্ধিত গুৰুত্ব প্ৰদান কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে জনোৱা মতে, যোৱা বিত্তীয় বৰ্ষত ভাৰত আৰু কেনিয়াৰ মাজত মুঠ বাণিজ্য ৪.৩১ বিলিয়ন ডলাৰ হৈছে, যিয়ে ২০২৪-২৫ চনৰ তুলনাত ২৪.৯১ শতাংশ বৃদ্ধিৰ প্ৰতিফলন ঘটায়। ইয়াৰ উপৰি বাণিজ্য বৈচিত্ৰ্য বৃদ্ধি কৰা, বজাৰ প্ৰৱেশৰ সমস্যাসমূহ সমাধান কৰা আৰু অভিযান্ত্ৰিক সামগ্ৰী, ঔষধ, কৃষি আৰু ইলেক্ট্ৰনিকছৰ দৰে খণ্ডত পৰিপূৰকতাৰ বৃদ্ধিত আলোচনাত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰালয়ে লগতে কয় যে দুয়োপক্ষই স্থানীয় মুদ্ৰাত বাণিজ্যিক নিষ্পত্তিক প্ৰসাৰিত কৰাত সহমত প্ৰকাশ কৰিছে। দুয়োপক্ষই বৈচিত্ৰ্যপূৰ্ণ, সুষম আৰু ভৱিষ্যতমুখী অৰ্থনৈতিক অংশীদাৰিত্বৰ প্ৰতিও নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰি বাণিজ্যৰ সুবিধা, সমস্যাসমূহ সমাধান আৰু ব্যৱসায়ৰ সংযোগক প্ৰসাৰিত কৰাৰ বাবে অনুষ্ঠানিক ব্যৱস্থাসমূহ শক্তিশালী কৰাৰ বাবে সন্মত হয়।

০০০০০০০

চীনৰ চান্যাত চলি থকা এছীয় উপকূলীয় ক্ৰীড়া ২০২৬ প্ৰতিযোগিতাত ভাৰতৰ মল্লযুঁজাৰুৱে আজি বীচ্চ ৰেষ্টলিং শিতানত চাৰিটাকৈ পদক অৰ্জন কৰে। মহিলাৰ ৭০ কিলোগ্ৰাম উৰ্ধাৰ শাখাত প্ৰিয়া মালিক আৰু ৬০ কিলোগ্ৰাম শাখাত পুষ্পা যাদৱে সোণৰ পদক লাভ কৰে। মহিলাৰ ৭০ কিলোগ্ৰাম শাখাত যশপ্ৰীত কৌৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে, পুৰুষৰ ৭০ কিলোগ্ৰাম শাখাত সিদ্ধাৰ্থই ৰূপৰ পদক অৰ্জন কৰে। মল্লযুঁজৰ পদকৰ উপৰি ভাৰতে প্ৰতিযোগিতাৰ মহিলাৰ কাবাডী খেলত সোণৰ আৰু পুৰুষৰ কাবাডী খেলত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। টছত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰিবলৈ সিদ্ধান্ত লৈছে।

০০০০০০০

সমাপ্ত